# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। এন ডি এৰ সংসদীয় দলৰ বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

২। কলকাতা উচ্চ ন্যায়ালয়ে পশ্চিমবংগৰ নিৰ্বাচনোত্তৰ হিংসা বন্ধ কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক যুটীয়াভাৱে কাম কৰাৰ নিৰ্দেশ দিছে।

৩। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ৪ জুনত ষ্টক বজাৰ নিম্নগামী হোৱা ঘটনাৰ যুটীয়া সংসদীয় কমিটীৰ দ্বাৰা তদন্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে।

৪। আম আদমী পাৰ্টীয়ে দিল্লী বিধানসভাৰ আসন্ন নিৰ্বাচনত অকলেই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

*আৰু*

৫। আমেৰিকা যুক্তৰাষ্ট্ৰই কালি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পূৰ্বৰ চেম্পিয়ন পাকিস্তানক ৫ ৰানত পৰাস্ত কৰে।

ooooo

এন ডি এৰ সংসদীয় দলৰ বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। বৈঠকত বিজেপি, টি ডি পি, জে ডি ইউ, এল জে পি (আৰ), শিৱসেনা সিন্ধে গোট, জে ডি এছ্ আৰু এন ডি এ মিত্ৰজোঁটৰ অন্য সহযোগী দলৰ নৱনিৰ্বাচিত সাংসদসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত চৰকাৰ গঠনক লৈ ৰাজনৈতিক গতিবিধি বৃদ্ধি পাইছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙক চৰকাৰ গঠনৰ বিষয় লৈ এন ডি এৰ সহযোগী দলসমূহৰ সৈতে আলোচনা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শ্ৰীনাড্ডাই কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী আৰু দলৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, প্ৰহ্লাদ যোশী, মনসুখ মন্দাভিয়া, অশ্বিনী বৈষ্ণৱ, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুঘ, দলৰ নেতা বিনোদ তাৱড়ে আৰু আন ভালেসংখ্যক নেতা উপস্থিত থাকে। ইপিনে, জে ডি ইউৰ কেইবাগৰাকীও নেতাই কালি দলৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক তেওঁৰ নতুন দিল্লীৰ বাসগৃহত সাক্ষাৎ কৰে। এন ডি এৰ সংসদীয় দলৰ বৈঠকৰ পূৰ্বে আজি হোৱা জে ডি ইউৰ সংসদীয় গোটৰ এখন বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইতিমধ্যে এন ডি এ মিত্ৰজোঁটৰ নেতা হিচাপে বাছনি কৰা হৈছে।

ooooo

কলকাতা উচ্চ ন্যায়ালয়ে পশ্চিমবংগৰ নিৰ্বাচনোত্তৰ হিংসা বন্ধ কৰাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক যুটীয়াভাৱে কাম কৰাৰ নিৰ্দেশ দিছে। বিষয়টো সন্দৰ্ভত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ কৌশিক চন্দা আৰু অপূৰ্ব সিন্‌হা ৰয়ক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি এইদৰে নিৰ্দেশ দিয়ে। ৰাজ্যখনত নিৰ্বাচনোত্তৰ হিংসাৰ ঘটনাত ১১ জন লোকে প্ৰাণ হেৰুওৱাৰ পাছত উকীলসকলৰ এটা সন্থাই এই ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনখন দাখিল কৰিছিল। ন্যায়ালয়ে লগতে এই বুলি নিৰ্দেশ দিয়ে যে, ৰাজ্যিক আৰক্ষী ব্যৰ্থ হ'লে কেন্দ্ৰীয় বাহিনীসমূহে এনে ঘটনা ৰোধ কৰাৰ বাবে হস্তক্ষেপ কৰিব পাৰিব।

ৰাজ্য চৰকাৰে নিৰ্বাচনোত্তৰ হিংসাৰ ঘটনা সংঘটিত হোৱাৰ কথা অস্বীকাৰ কৰিছে যদিও উচ্চ ন্যায়ালয়ে এনে ঘটনা নিয়ন্ত্ৰণ নহ'লে কেন্দ্ৰীয় বাহিনীসমূহক পৰৱৰ্তী ৫ বছৰলৈ ৰাজ্যখনত নিয়োজিত হৈ থকাৰ নিৰ্দেশ দিব পাৰে বুলি প্ৰকাশ কৰিছে। ন্যায়ালয়ে আৰক্ষী সঞ্চালক প্ৰধানে ই-মেইলৰ জড়িয়তে অভিযোগ গ্ৰহণ কৰিব লাগিব আৰু এনে অভিযোগসমূহ সংশ্লিষ্ট আৰক্ষী থানালৈ প্ৰেৰণ কৰিব লাগিব বুলি কৈছে। ন্যায়ালয়ে লগতে ৰাজ্যিক আৰক্ষীক নিৰ্বাচনোত্তৰ হিংসাৰ ঘটনা সন্দৰ্ভত দাখিল কৰা এজাহাৰ তালিকা নিজৰ বেৱছাইটত প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে ৪ জুনত ষ্টক বজাৰ নিম্নগামী হোৱা ঘটনাৰ যুটীয়া সংসদীয় কমিটীৰ দ্বাৰা তদন্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগান্ধীয়ে কয় যে, বজাৰ নিম্নগামী হোৱাৰ বাবে খুচুৰা বিনিয়োগকাৰীসকলৰ ৩০ লাখ কোটি টকা লোকচান হৈছে। কংগ্ৰেছ নেতাগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে ষ্টক বজাৰত বিনিয়োগ কৰা ৫ কোটি পৰিয়ালক কিয় বিনিয়োগত বিশেষ পৰামৰ্শ আগবঢ়াইছিল বুলি জানিব খুজিছে।

ইফালে, বিজেপিয়ে কংগ্ৰেছৰ দাবী খণ্ডন কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলৰ নেতা পীয়ুষ গোৱেলে ৰাহুল গান্ধীয়ে বিনিয়োগকাৰীসকলক প্ৰৱঞ্চনা কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। তেওঁ লগতে কয় যে, ৪ জুনত নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ দিনা বিদেশী বিনিয়োগকাৰীসকলেহে লোকচান ভৰিবলগীয়া হৈছে কিন্তু ভাৰতীয় বিনিয়োগকাৰীসকল লাভান্বিত হৈছে। বিজেপি নেতাগৰাকীয়ে কয় যে, ১০ বছৰ পূৰ্বে ইউ পি চৰকাৰ ক্ষমতাত থকাৰ সময়ত ভাৰতৰ বজাৰ মূলধন ৬৭ লাখ কোটি টকা আছিল আৰু সম্প্ৰতি এই পৰিমাণ ৪১৫ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

ooooo

নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল নতুন দিল্লীত হ'বলগীয়া প্ৰধানমন্ত্ৰী মোদীৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। সিং দৰবাৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছতে নেপাল চৰকাৰৰ মুখপাত্ৰ তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ৰেখা শৰ্মাই এই কথা প্ৰকাশ কৰে। টেলিফোন যোগে হোৱা কথোপকথনত নেপালৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক লোকসভা নিৰ্বাচনত এন ডি এৰ জয়লাভৰ বাবে শুভেচ্ছা জনায়। শ্ৰীদাহালে ভাৰত-নেপালৰ মাজৰ সম্পৰ্কক অধিক সুদৃঢ় কৰাৰ বাবে নতুনকৈ গঠন হ'বলগীয়া চৰকাৰখনৰ সৈতে বন্ধুত্ব সুলভ আৰু সহযোগিতাৰ মানসিকতাৰে কাম কৰি যাবলৈ প্ৰস্তুত আছে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়েও নেপালৰ প্ৰধানমন্ত্ৰীৰ সৈতে কথাপাতি যথেষ্ট আনন্দিত বুলি উল্লেখ কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত কালি নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উঠাই লৈছে। যোৱা ১৬ মাৰ্চত লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতেই নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছিল। অৱশ্যে কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু তেলেংগানাৰ কেইটামান সমষ্টিত হ'বলগীয়া দ্বিবাৰ্ষিক আৰু বিধান পৰিষদৰ উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধি এতিয়াও প্ৰযোজ্য হৈ আছে।

ooooo

নিৰ্বাচন আয়োগে কৈছে যে, শেহতীয়া সাধাৰণ নিৰ্বাচনত মুঠ ৬৫ দশমিক ৭-৯ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিছে। লাক্ষাদ্বীপত সৰ্বাধিক ৮৪ দশমিক ১-৬ শতাংশ ভোটদান হৈছে। ভোটদানৰ ক্ষেত্ৰত ৮১ দশমিক ৫-৬ শতাংশ ভোটদানেৰে অসম দ্বিতীয় আৰু ৮০ দশমিক ৯-৩ শতাংশ ভোটদানেৰে ত্ৰিপুৰা তৃতীয় স্থানত আছে। উত্তৰ প্ৰদেশত ৫৬ দশমিক ৯-২ শতাংশ হোৱাৰ বিপৰীতে বিহাৰত সকলোতকৈ কম ভোটদান হৈছে। বিহাৰত ভোটদানৰ হাৰ হৈছে ৫৬ দশমিক ১-৯ শতাংশ। আয়োগে জনোৱা মতে সপ্তম পৰ্যায়ৰ নিৰ্বাচনত ৬৩ দশমিক ৮-৮ শতাংশ ভোটদান হয়।

ooooo

আম আদমী পাৰ্টীয়ে দিল্লী বিধানসভাৰ আসন্ন নিৰ্বাচনত অকলেই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বাসগৃহত অনুষ্ঠিত দলৰ বিধায়কসকলৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কালি দিল্লীৰ মন্ত্ৰী গোপাল ৰায়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁট অকল লোকসভা নিৰ্বাচনৰ বাবে গঠন কৰা হৈছিল। তেওঁ কয় যে, আম আদমী পাৰ্টিয়ে লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে একেলগে অৱতীৰ্ণ হৈছিল কিন্তু দলটোৱে দিল্লী বিধানসভা নিৰ্বাচনত দলটোৰ সৈতে মিত্ৰতা নকৰে।

ooooo

লোকসভা সচিবালয়ে সংসদ ভৱনৰ চৌহদত প্ৰেৰণা স্থল বিকশাই তুলিছে য'ত দেশৰ মহান নেতা আৰু মুক্তি যুঁজাৰুসকলৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। পূৰ্বে এই প্ৰতিমূৰ্তিসমূহ চৌহদৰ বিভিন্ন স্থানত আছিল। সচিবালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই প্ৰেৰণা স্থল এনেদৰে বিকশাই তোলা হৈছে যাতে সংসদ ভৱন চৌহদলৈ অহা দৰ্শকসকলে এই মহান নেতাসকলৰ প্ৰতিমূৰ্তি সহজে দেখা পায় আৰু তেওঁলোকৰ জীৱন আৰু দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পাৰে।

সচিবালয়ে জনোৱা মতে, চৌহদৰ বিভিন্ন স্থানত থকা বাবে দৰ্শকসকলে প্ৰতিমূৰ্তিসমূহ চোৱাৰ ক্ষেত্ৰত কিছু অসুবিধা হৈছিল। প্ৰেৰণা স্থলত আধুনিক প্ৰযুক্তিৰ জৰিয়তে এই মহান নেতা আৰু মুক্তিযুঁজাৰুসকলৰ জীৱন আৰু অৱদানৰ বিষয়ে তথ্য আগবঢ়োৱাৰো ব্যৱস্থা কৰা হৈছে।

ooooo

স্কটলেণ্ডে আজি বাৰ্বাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নাম্বিবিয়াক ৫ উইকেটত পৰাস্ত কৰিছে। স্কটলেণ্ডে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু তিনিটা বলত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে নাম্বিবিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫৫ ৰান কৰে।

ইপিনে, আয়োজক দেশ আমেৰিকা যুক্তৰাষ্ট্ৰই কালি ডলাছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পূৰ্বৰ চেম্পিয়ন পাকিস্তানক ৫ ৰানত পৰাস্ত কৰে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত

২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৯ ৰান কৰে। পাকিস্তানৰ হৈ বাবৰ আজমে ৪৪ ৰান কৰে। আমেৰিকাৰ নোষ্টুছ কেনজিগেই তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত আমেৰিকাইয়ো ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ১৫৯ ৰান সংগ্ৰহ কৰে। আমেৰিকাৰ হৈ মনাংক পেটেলে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। নিৰ্ধাৰিত অভাৰত খেলখন অমীমাংসিত হৈ ৰোৱাত ছুপাৰ অভাৰৰ সহায় লোৱা হয়। ছুপাৰ অভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰই এটা উইকেট হেৰুৱাই ১৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে এটা উইকেট হেৰুৱাই ১৩ ৰানহে কৰিবলৈ সমৰ্থ হয়।

আনহাতে, প্ৰতিযোগিতাত কানাডাৰ বিৰুদ্ধে জয়েৰে অভিযান আৰম্ভ কৰাৰ পাছত গ্ৰুপ-এত আমেৰিকাৰ এয়া দ্বিতীয়টো বিজয়। নিজৰ প্ৰথমখন খেলত পৰাজয় বৰণ কৰা পাকিস্তান পৰহিলৈ ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

নিৰ্বাচন আয়োগে কালি বিয়লি ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে আৰু সদ্য সমাপ্ত হিংসামুক্ত নিৰ্বাচন জাতিৰ পিতাগৰাকীৰ নাম উৎসৰ্গা কৰে। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে মহাত্মা গান্ধীৰ অহিংসাৰ বাণীয়ে শান্তিপূৰ্ণ আৰু হিংসামুক্ত নিৰ্বাচনৰ প্ৰতি আয়োগক প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিছে। জম্মু-কাশ্মীৰ আৰু মণিপুৰে নিজৰ পৰিপক্ক আচৰণেৰে নিদৰ্শন দাঙি ধৰিছে আৰু এয়া ভৱিষ্যতৰ বাবে সঁচাকৈ শুভ সংকেট বুলি আয়োগৰ বিবৃতিত প্ৰকাশ কৰা হৈছে। বিবৃতিটোত বুলেট নহয় বেলটহে শান্তি আৰু উন্নয়নৰ পথ বুলি উল্লেখ কৰা হৈছে। নিৰ্বাচন আয়োগে লগতে উৰা বাতৰি আৰু ভিত্তিহীন সন্দেহেৰে নিৰ্বাচনী প্ৰক্ৰিয়া বিনষ্ট কৰাৰ সকলো প্ৰয়াস অগ্ৰাহ্য কৰিছে।

০০০০০

**সমাপ্ত**